# লিংগ-ভিত্তিক নিৰ্যাতনৰ উত্তৰজীৱী মহিলাসকলৰ প্ৰতি সামূহিক সঁহাৰি

## গ্ৰামীণ মহিলা কেন্দ্ৰৰ ভূমিকা

**দ্বিতীয় খণ্ড**



**NORTH ΞAST NΞTWORK**

**অসম, ২০২৫**

**লিংগ-ভিত্তিক নিৰ্যাতনৰ উত্তৰজীৱী মহিলাসকলৰ প্ৰতি সামূহিক সঁহাৰি: গ্ৰামীণ মহিলা কেন্দ্ৰৰ ভূমিকা দ্বিতীয় খণ্ড**

অসমৰ দৰঙ, গোলাঘাট, ওদালগুৰি, আৰু কামৰূপ (গ্ৰামীণ) জিলাৰ গ্ৰামীণ মহিলা কেন্দ্ৰত নথিভুক্ত হোৱা পাৰিবাৰিক আৰু অন্যান্য লিংগভিত্তিক নিৰ্যাতনৰ গোচৰসমূহৰ এক প্ৰতিবেদন


**প্ৰতিবেদন, লে-আউট আৰু ডিজাইন**
ৰশ্মিৰেখা বৰা

**তথ্য সংকলন আৰু অলংকৰণ**
বাবলী বসুমতাৰী

**সমীক্ষক**
অনুৰিতা পাঠক হাজৰিকা, নীলাঞ্জু দত্ত



© North East Network



**তথ্য প্ৰৱিষ্টকাৰী**
পল্লৱী গগৈ, বন্দিতা বৰুৱা



* নেনৰ অনুমতি অবিহনে উৎসৰ সঠিক উল্লেখেৰে এই প্ৰতিবেদনৰ তথ্য জনস্বাৰ্থৰ উদ্দেশ্যে ব্যৱহাৰ কৰিব পাৰিব।

* প্ৰতিবেদনখনত থকা ফটোসমূহ সংশ্লিষ্ট ব্যক্তিসকলৰ সন্মতি সহকাৰে ব্যৱহাৰ কৰা হৈছে। ফটোসমূহে নেনৰ বিভিন্ন কামৰ প্ৰতিফলন ঘটাইছে। সঠিক অনুমতি অবিহনে এই ফটোসমূহৰ পুনৰুৎপাদন, বিতৰণ বা ব্যৱহাৰ কৰিব নোৱাৰিব।




## যাত্ৰা অবিৰত...

মহিলা আৰু ছোৱালীৰ বিৰুদ্ধে লিংগ-ভিত্তিক হিংসা বা নিৰ্যাতন হৈছে বিশ্বৰ জৰুৰীকালীন অৱস্থাসমূহৰ ভিতৰত অন্যতম আৰু বহনক্ষম উন্নয়নৰ বাবে এক উল্লেখযোগ্য প্ৰত্যাহ্বান। অসমো ইয়াৰ ব্যতিক্ৰম নহয়, কাৰণ ৰাজ্যখনত সঘনে ঘটি থকা লিংগ-ভিত্তিক নিৰ্যাতন এক চিন্তাজনক বিষয় হৈয়ে আছে। আমাৰ সমাজত ঘৰ আৰু পৰিয়ালক প্ৰায়ে মহিলা আৰু ছোৱালীৰ বাবে আটাইতকৈ নিৰাপদ স্থান হিচাপে গণ্য কৰা হয় যদিও নেশ্যনেল ক্ৰাইম ৰেকৰ্ডছ ব্যুৰোৰ (এন চি আৰ বি) "ক্ৰাইম ইন ইণ্ডিয়া ৰিপ'ৰ্ট, ২০২১" ৰ তথ্য মতে অসমত মহিলাৰ বিৰুদ্ধে হোৱা বেছিভাগ অপৰাধৰ গোচৰ "স্বামী বা তেওঁৰ আত্মীয়ৰ নিষ্ঠুৰতা" শিতানত দাখিল হৈছিল।[1] তদুপৰি ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা ২০১৯-২১ (এন এফ এইচ এছ-৫)ৰ তথ্য অনুসৰি ১৮-৪৯ বছৰ বয়সৰ ৩২% বিবাহিত মহিলা গিৰিয়েকৰ নিৰ্যাতনৰ সন্মুখীন হৈছে, আৰু ১৮-২৯ বছৰ বয়সৰ ৮% যুৱতীয়ে ১৮ বছৰ বয়সৰ ভিতৰত যৌন নিৰ্যাতনৰ সন্মুখীন হৈছে।[2] ২০২১ চনৰ জুন মাহত নিতি আয়োগে প্ৰকাশ কৰা বহনক্ষম উন্নয়নৰ লক্ষ্য (Sustainable Development Goal - এচ ডি জি) সূচক অনুসৰি লিংগ সমতা অৰ্জনৰ ক্ষেত্ৰত অসমৰ স্থান আটাইতকৈ শোচনীয়।[3]

২০২২ চনৰ এন চি আৰ বিৰ প্ৰতিবেদনত অসমত যোৱা পাঁচ বছৰত মহিলাৰ বিৰুদ্ধে অপৰাধ ৫০% হ্ৰাস পোৱাৰ কথা উল্লেখ কৰা হৈছে। আৰক্ষীৰ মতে এই হ্ৰাসৰ মূল কাৰণ হৈছে উন্নত তদন্ত আৰু তাৰ ফলত অপৰাধীৰ গ্ৰেপ্তাৰ। কিন্তু আদালতৰ দ্বাৰা মহিলাৰ বিৰুদ্ধে হোৱা অপৰাধৰ দোষী সাব্যস্ত কৰাৰ হাৰৰ ক্ষেত্ৰত অসমে ভাৰতৰ ভিতৰত দ্বিতীয় সৰ্বনিম্ন (৪.৮%), চাইবাৰ অপৰাধৰ দোষী সাব্যস্ত কৰাৰ ক্ষেত্ৰত চতুৰ্থ সৰ্বনিম্ন আৰু শিশুৰ বিৰুদ্ধে অপৰাধৰ ক্ষেত্ৰত ষষ্ঠ সৰ্বনিম্ন স্থান লাভ কৰিছে। তথ্যসমূহৰ এই অমিলে ন্যায়িক প্ৰক্ৰিয়া আৰু তদন্তৰ মানৰ উল্লেখযোগ্য প্ৰত্যাহ্বানসমূহৰ ওপৰত আলোকপাত কৰে। কঠোৰ আইনী সংশোধনীৰ পিছতো লিংগ-ভিত্তিক নিৰ্যাতন এক গুৰুতৰ চিন্তাৰ বিষয় হৈয়েই আছে। ইয়াৰ বাবে তাৎক্ষণিক, ফলপ্ৰসূ আৰু লিংগ-সংবেদনশীল ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন।

গ্ৰামীণ মহিলা কেন্দ্ৰ (জি এম কে) স্থাপনৰ মূল লক্ষ্য আছিল লিংগ-ভিত্তিক নিৰ্যাতনৰ ভুক্তভোগী আৰু সমাজৰ অন্য মহিলাসকলৰ কাৰণে এখন নিৰাপদ স্থানৰ সৃষ্টি কৰা। ই নৰ্থ ইষ্ট নেটৱৰ্কে (নেন) অনুভৱ কৰি থকা এক দীৰ্ঘদিনীয়া প্ৰয়োজনৰ ফচল। ২০১৩ চনত নেনে অসমৰ গ্ৰামাঞ্চলত পাৰিবাৰিক নিৰ্যাতনৰ ওপৰত চলোৱা এক সমীক্ষাই দেখুৱাইছিল কিদৰে মহিলাৰ মানৱ অধিকাৰ ভংগ কৰি থকা মহামাৰীৰূপী পাৰিবাৰিক নিৰ্যাতন ব্যাপক হাৰত নীৰৱে ঘটি থাকে। ইয়াৰ বিৰুদ্ধে কেতিয়াও মাত মতা নহয় বা কোনো গোচৰ দাখিল নহয়। এই সমীক্ষাত ন্যায় ব্যৱস্থাকে ধৰি আন সহায়ক সেৱাসমূহ লাভ কৰাৰ ক্ষেত্ৰত থকা সমস্যাসমূহো চিনাক্ত কৰা হৈছিল। তাৰপাছত নেনে লিংগ, লিংগ-ভিত্তিক নিৰ্যাতন, নাৰীবাদী নেতৃত্ব, মহিলাৰ অধিকাৰ আৰু আইন

[1] https://www.epw.in/engage/article/empirical-evidence-crime-againstwomenassam#:~:text=According%20to%20the%20NCRB's%20Crime,in%202021%20is%20168.3%2C%20which[2] https://mohfw.gov.in/sites/default/files/NFHS-5_Phase-II_0.pdf
[3] https://theprint.in/india/state-of-the-states-niti-report-shows-whos-rising-whos-lagging-and-the-gap-in-between/672171/

আদি বিভিন্ন বিষয়ত তৃণমূল মহিলাসকলৰ সৈতে আলোচনা-বিলোচনাৰে অধিকাৰ-ভিত্তিক দৃষ্টিকোণেৰে লিংগ-ভিত্তিক নিৰ্যাতনৰ বিৰুদ্ধে সামূহিক প্ৰতিৰোধ গঢ়ি তোলাৰ প্ৰচেষ্টা আৰম্ভ কৰিছিল আৰু সেই মহিলাসকল নিজ নিজ ঠাইত পৰিৱৰ্তনৰ হোতা হৈ উঠক বুলি আশা কৰিছিল। ২০১৬ চনত নেনে আঠগৰাকী নিৰ্বাচিত মহিলা নেত্ৰীক বেয়াৰফুট কাউন্সেলাৰ হিচাপে প্ৰশিক্ষণ দিছিল। তেতিয়াৰপৰাই তেওঁলোকে নিজৰ অঞ্চলৰ নিৰ্যাতনৰ ভুক্তভোগী মহিলাসকলক মনো-সামাজিক যত্ন আৰু পৰামৰ্শ সেৱা প্ৰদান কৰি আহিছে। ২০১৮ চনত নেনে দৰং, গোলাঘাট আৰু কামৰূপ (গ্ৰাম্য) জিলাত ৫ টা উন্নয়ন খণ্ড, ২৩ খন গাঁও পঞ্চায়ত আৰু ১০৫ খন গাঁও সামৰি তিনিটা গ্ৰামীণ মহিলা কেন্দ্ৰ স্থাপন কৰে। ২০২১ চনত পৰামৰ্শ সেৱাৰ ক্ৰমবৰ্ধমান চাহিদাৰ বাবে নতুন ১২ গৰাকী মহিলাক বেয়াৰফুট কাউন্সেলিঙৰ প্ৰশিক্ষণ দিয়া হয় আৰু ওদালগুৰি আৰু ধেমাজি




জিলাত আৰু দুটা গ্ৰামীণ মহিলা কেন্দ্ৰ স্থাপন কৰা হয়। পাৰিবাৰিক নিৰ্যাতনৰ উপৰিও শিশুৰ ওপৰত যৌন নিৰ্যাতন, চাইবাৰ অপৰাধ, বাল্য বিবাহকে ধৰি বিভিন্ন ধৰণৰ লিংগ-ভিত্তিক নিৰ্যাতনৰ ভুক্তভোগী মহিলাসকলৰ বাবেও মনো-সামাজিক যত্ন আৰু পৰামৰ্শ সেৱা সম্প্ৰসাৰিত কৰা হয়। বেয়াৰফুট কাউন্সেলাৰসকলে ভুক্তভোগী মহিলাৰ বাবে পৰামৰ্শ সেৱা আৰু প্ৰয়োজন অনুসাৰে অন্য সহায়ক সেৱাসমূহৰ সৈতে সংযোগ স্থাপন কৰি দিয়া আদি কাম অব্যাহত ৰাখিলে। আৰ্থিকভাৱে স্বাৱলম্বী হোৱাৰ দ্বাৰা নিৰ্যাতনৰপৰা মুক্ত হৈ নিজৰ জীৱনৰ সিদ্ধান্ত নিজে ল'ব পৰাকৈ সক্ষম কৰাৰ উদ্দেশ্যে মুঠ ১০৭ গৰাকী ভুক্তভোগী মহিলাক বয়ন, কৃষি, পশুপালন আদিৰ সৈতে জড়িত কৰি দিয়া হৈছিল।

প্ৰশিক্ষিত কমিউনিটি মবিলাইজাৰসকলে নিজৰ অঞ্চলসমূহত নিৰ্বাচিত মহিলাৰ লগত সময়ে-সময়ে আলোচনা, প্ৰশিক্ষণ আদিৰ জৰিয়তে বিভিন্ন বিষয়বস্তুৰ ওপৰত তেওঁলোকৰ জ্ঞান তথা দখল বৃদ্ধি কৰিবলৈ আৰম্ভ কৰিলে। এই মহিলাসকল সমনীয়া নেত্ৰী হিচাপে ওলাই আহিছে, আৰু ভুক্তভোগী মহিলা আৰু ছোৱালীসকলৰ বাবে সমৰ্থন ব্যৱস্থাটো আৰু অধিক শক্তিশালী কৰিছে। সমনীয়া নেত্ৰীসকলে কেৱল নিজৰ চুবুৰীত লিংগ-ভিত্তিক নিৰ্যাতনৰপৰা ৰক্ষা পোৱা মহিলাসকলক সহায় কৰাই নহয়, গাঁও প্ৰতিৰক্ষা সমিতি, গাঁও সংগঠন, আৰু শিশু কল্যাণ সমিতি আদিৰ দৰে বিভিন্ন স্থানীয় অনুষ্ঠানৰ সদস্য হৈ সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিছে। এই মহিলাসকলে এতিয়া সকলো শ্ৰেণী, বৰ্গ, জাতি-জনগোষ্ঠীৰ মহিলাসকলক সাঙুৰি লিংগ-ভিত্তিক নিৰ্যাতনৰ বিৰুদ্ধে যুঁজখনৰ নেতৃত্ব লৈছে। তেওঁলোকে আন মহিলাসকলকো তেওঁলোকৰ লগত যোগদান কৰিবলৈ প্ৰেৰণা আৰু সাহস যোগাইছে।

গ্ৰামীণ মহিলা কেন্দ্ৰসমূহে মানুহৰ মাজত সজাগতা বৃদ্ধিৰ বাবে এক বিস্তৃত কৌশল অৱলম্বন কৰে। ইয়াৰ ভিতৰত আছে -- ঘৰে ঘৰে গৈ গাঁৱৰ মানুহক লিংগ-ভিত্তিক নিৰ্যাতনৰ বিষয়ে সজাগ কৰা, গাঁৱৰ মহিলা আৰু নিৰ্যাতনৰ উত্তৰজীৱীসকলক লৈ সহায়ক গোট গঠন কৰা, ৰাজহুৱা সভা, নাৰী নিৰ্যাতনৰ বিৰুদ্ধে প্ৰচাৰ অভিযান আয়োজন কৰা, আৰু সংশ্লিষ্ট চৰকাৰী-বেচৰকাৰী সংস্থা আৰু শিক্ষানুষ্ঠানৰ সৈতে সংযোগ স্থাপন কৰা আদি। ইয়াৰ উপৰিও নিৰ্যাতনৰপৰা ৰক্ষা পোৱা মহিলাসকলে লিংগ-সংবেদনশীল আৰু সহজতে ন্যায় ব্যৱস্থাৰ সুবিধা লাভ কৰাটো নিশ্চিত কৰিবলৈ নেনে অধিবক্তাৰ এটা দলো গঠন কৰিছে। লিংগ-ভিত্তিক নিৰ্যাতনৰ ভুক্তভোগী প্ৰান্তীয় মহিলাসকলৰ বাবে সহায়ক পৰিৱেশতন্ত্ৰটোক শক্তিশালী কৰিবলৈ আমি ক্ষেত্ৰ জিলাসমূহৰ সাতটা স্থানীয় বেচৰকাৰী সংস্থাৰ সৈতেও একেলগে কাম কৰিছোঁ।

কেন্দ্ৰসমূহে বিভিন্ন সৃষ্টিশীল মাধ্যম, যেনে, বাটৰ নাট, পুতলা নাট, নৃত্য-নাট, খেল-ধেমালি, দেৱাল চিত্ৰকলা, পোষ্টাৰ নিৰ্মাণ ইত্যাদিৰ জৰিয়তে যুৱক-যুৱতী আৰু কিশোৰ-কিশোৰীসকলক জড়িত কৰিছে। এই প্ৰক্ৰিয়াৰ ফলত বিভিন্ন লিংগ-পৰিচয়ৰ এশ জনতকৈয়ো অধিক সাধাৰণ সদস্যৰে **মিৰদান ইয়ুথ কালেক্টিভ** গঠন কৰা হৈছে।


ৰাইজে কেন্দ্ৰসমূহক গাঁৱৰ মহিলাৰ বাবে নিৰাপদ স্থান হিচাপে স্বীকৃতি দিয়ে। অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগে **পাৰিবাৰিক নিৰ্যাতনৰপৰা মহিলাৰ সুৰক্ষা আইন, ২০০৫**ৰ অধীনত তিনিটা কেন্দ্ৰক সেৱা প্ৰদানকাৰী (Service Provider) হিচাপে স্বীকৃতি দিছে।

# লিংগ-ভিত্তিক নিৰ্যাতন আৰু গ্ৰামীণ মহিলা কেন্দ্ৰৰ ভূমিকা

মহিলাৰ বিৰুদ্ধে নিৰ্যাতন, বিশেষকৈ অন্তৰংগ/জীৱন সংগীৰ দ্বাৰা হোৱা নিৰ্যাতন আৰু যৌন হিংসা জন-স্বাস্থ্যৰ বিষয়। এনেধৰণৰ নিৰ্যাতনে মহিলাৰ মানৱ অধিকাৰ উলংঘা কৰে। বিশ্ব স্বাস্থ্য সংস্থাৰ (WHO) মতে, এটা সম্পৰ্কৰ মাজত থকা ১৫–৪৯ বছৰ বয়সৰ এক চতুৰ্থাংশতকৈ অধিক মহিলা জীৱনত অন্ততঃ এবাৰ (১৫ বছৰ বয়সৰপৰা) তেওঁলোকৰ অন্তৰংগ/জীৱন সংগীৰ দ্বাৰা শাৰীৰিক আৰু/বা যৌন নিৰ্যাতনৰ বলি হৈছে।[4] এন এফ এইচ এছ-৫ৰ তথ্যই এইটোও সূচায় যে ১৮-৪৯ বছৰ বয়সৰ ২৯% মহিলাই ১৫ বছৰ বয়সৰপৰা শাৰীৰিক নিৰ্যাতনৰ সন্মুখীন হৈছে, আৰু ৬% মহিলাই জীৱনকালত যৌন নিৰ্যাতনৰ সন্মুখীন হৈছে। ১৮-৪৯ বছৰ বয়সৰ ৩% গৰ্ভৱতী মহিলাই গৰ্ভাৱস্থাৰ যিকোনো সময়ত শাৰীৰিক নিৰ্যাতনৰ সন্মুখীন হৈছে। [5]

## গ্ৰামীণ মহিলা কেন্দ্ৰই হস্তক্ষেপ কৰা মুঠ গোচৰ

২০২১ চনৰ জানুৱাৰী মাহৰপৰা ২০২৪ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত গ্ৰামীণ মহিলা কেন্দ্ৰত পাৰিবাৰিক নিৰ্যাতনকে ধৰি মুঠ ৪৩৪টা লিংগ-ভিত্তিক নিৰ্যাতনৰ গোচৰ পোৱা গৈছে। এই সংখ্যাই প্ৰকৃত ছবিখন নেদেখুৱায়। কাৰণ এনে নিৰ্যাতনৰ বহু ঘটনা পিতৃতান্ত্ৰিক চিন্তা-চেতনাৰ বাবে ঘৰৰ চাৰিবেৰৰ মাজতেই সমাধান নোহোৱাকৈ ৰৈ যায়।





চাৰিখন জিলাৰ গ্ৰামীণ মহিলা কেন্দ্ৰসমূহৰ ভিতৰত গোলাঘাটত সৰ্বাধিক ১৭৮টা পাৰিবাৰিক নিৰ্যাতনৰ গোচৰ নথিভুক্ত হৈছে। সেই অঞ্চলৰ বিভিন্ন গাঁও আৰু সম্প্ৰদায়সমূহৰ মাজত কেন্দ্ৰৰ জনপ্ৰিয়তা তথা নেনৰ কামকাজ আৰু প্ৰচাৰ অভিযানসমূহে মানুহক সজাগ কৰাৰ ফলতেই হয়তো গোচৰৰ সংখ্যা বেছি পোৱা গৈছে। সকলো জিলাতে কেৱল পাৰিবাৰিক নিৰ্যাতনৰ গোচৰেই নহয়, বাল্য বিবাহ, চাইবাৰ অপৰাধ, শিশুৰ ওপৰত যৌন নিৰ্যাতন ইত্যাদিকে ধৰি অন্যান্য ধৰণৰ লিংগ-ভিত্তিক নিৰ্যাতনৰ গোচৰো নথিভুক্ত হৈছে।


[4]https://www.who.int/news-room/fact-sheets/detail/violence-against-women
[5]https://mohfw.gov.in/sites/default/files/NFHS-5_Phase-II_0.pdf

## নিৰ্যাতনৰ ভুক্তভোগীসকলৰ সবিশেষ

### বয়স আৰু বৈবাহিক স্থিতি

গ্ৰামীণ মহিলা কেন্দ্ৰৰ শেহতীয়া তথ্য অনুসৰি পাৰিবাৰিক নিৰ্যাতনৰ প্ৰাদুৰ্ভাৱ ১৮-৩০ বছৰৰ মহিলাসকলৰ ভিতৰত সৰ্বাধিক (৪৪%) দেখা গৈছে। তাৰ পিছতেই আছে ৩১-৫০ বছৰ বয়সৰ মহিলাসকল (৪১%) । ৪৩৪ গৰাকী ভুক্তভোগী মহিলাৰ ৩৪৭ গৰাকী মহিলা বিবাহিত আৰু ১৮-৫০ বছৰ বয়সৰ। ভাৰতৰ প্ৰজননক্ষম বয়সৰ মহিলাসকলৰ ওপৰত পাৰিবাৰিক নিৰ্যাতন, বিশেষকৈ জীৱন সংগীৰ দ্বাৰা নিৰ্যাতন এক চিন্তাজনক বিষয়। এন এফ এইচ এছ-৫ৰ প্ৰতিবেদনত এইটোও লিপিবদ্ধ কৰা হৈছে যে ১৮-৪৯ বছৰ বয়সৰ ৩২% মহিলাই যিকোনো ধৰণৰ পাৰিবাৰিক নিৰ্যাতনৰ সন্মুখীন হৈছে। এই প্ৰতিবেদনৰ মতে নথিভুক্ত হোৱা গোচৰৰ ভিতৰত শাৰীৰিক নিৰ্যাতনেই আটাইতকৈ বেছি। তাৰ পিছত আছে মানসিক আৰু যৌন নিৰ্যাতন। অৰ্থাৎ ভাৰতত প্ৰজননক্ষম বয়সৰ প্ৰায় এক তৃতীয়াংশ মহিলাই পাৰিবাৰিক নিৰ্যাতনৰ সন্মুখীন হয়।






জি এম কে সমূহত অবিবাহিতা (৫.৪%) আৰু বিধৱা (১০%) মহিলাৰ ওপৰত কৰা নিৰ্যাতনৰ ঘটনাও নথিভুক্ত হৈছে। বিভিন্ন বয়সৰ মহিলাসকলে বিভিন্ন ধৰণৰ পাৰিবাৰিক নিৰ্যাতনৰ সন্মুখীন হয় যদিও কম বয়সীয়া মহিলাসকলে নিজৰ ওপৰত হোৱা নিৰ্যাতনৰ বিৰুদ্ধে মাত মতা দেখা যায়। জি এম কে সমূহত পঞ্জীয়নভুক্ত গোচৰৰ পৰিসংখ্যাই ইংগিত দিয়ে যে অঞ্চলসমূহৰ মানুহৰ মাজত নেনৰ কামকাজে এই প্ৰজননক্ষম বয়সৰ মহিলাসকলক আগবাঢ়ি আহি ঐতিহাসিকভাৱে লংঘন হৈ থকা তেওঁলোকৰ মানৱ অধিকাৰ ৰক্ষাৰ বাবে মাত মাতিবলৈ উৎসাহিত আৰু সমৰ্থ কৰি তুলিছে।

[6]https://indianexpress.com/article/india/30-women-in-india-subjected-to-physical-sexual-violence-nfhs-7906029/

# শিক্ষা




পৰামৰ্শ সেৱাৰ বাবে জি এম কেৰ কাষ চপা ভুক্তভোগী মহিলাসকলৰ মাজত কেৱল ৪৬%-ই মাধ্যমিক শিক্ষা লাভ কৰিছিল। আনহাতে ২৫% মহিলাই প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰিছিল, আৰু মাত্ৰ ১২% মহিলাই উচ্চ মাধ্যমিক শিক্ষা সমাপ্ত কৰিছিল। এই তথ্যই অসমৰ গাঁও অঞ্চলত ছোৱালীয়ে শিক্ষা সম্পূৰ্ণ হোৱাৰ আগতে বিদ্যালয় এৰা আৰু তেওঁলোকৰ মাজত কম বয়সৰ বিবাহৰ প্ৰাদুৰ্ভাৱৰ ওপৰত আলোকপাত কৰে। ই তেওঁলোকৰ শিক্ষাৰ সম্ভাৱনাত যথেষ্ট বাধাৰ সৃষ্টি কৰে আৰু শিক্ষাৰ অধিকাৰ উলংঘন কৰে। কম বয়সৰ বিবাহৰ সৈতে জীৱন-সংগীৰ দ্বাৰা নিৰ্যাতনৰ ঘটনা অধিক হোৱাৰ সম্পৰ্ক আছে। ই ভুক্তভোগী মহিলাৰ আত্মসন্মান আৰু আত্ম-বিশ্বাস কমাই তোলে। স্নাতক ডিগ্ৰীধাৰী মহিলাসকলৰ মাত্ৰ ২% আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী মহিলাসকলৰ ভিতৰত ০.৫% মহিলাই নিৰ্যাতনৰ সন্মুখীন হৈ জি এম কে-ৰ হস্তক্ষেপৰ বাবে আহিছিল। সাধাৰণতে শিক্ষিত মহিলাসকলৰ বাবে যিকোনো আইনী তথ্য লাভৰ সুবিধা বেছি আৰু সেয়ে পাৰিবাৰিক নিৰ্যাতনৰ গোচৰ দিয়াৰ সম্ভাৱনা বেছি থাকে যদিও আমাৰ হাতত থকা তথ্যসমূহে বিপৰীত ছবি এখনহে দেখুৱায়।




# জীৱিকা


৪৩% ভুক্তভোগী মহিলা গৃহিণী, আনহাতে ৩৪% কৃষি আৰু আনুষংগিক কামত জড়িত, ১৫%-ই অসংগঠিত খণ্ডত কাম কৰে, ৭% নিবনুৱা আৰু ২% চৰকাৰী কৰ্মচাৰী। পাৰিবাৰিক নিৰ্যাতনৰ ভুক্তভোগীসকলৰ অধিকাংশই অৰ্থনৈতিকভাৱে প্ৰান্তীয় শ্ৰেণীৰ আৰু আৰ্থিকভাৱে জীৱন-সংগীৰ ওপৰত নিৰ্ভৰশীল।

মহিলাৰ অৰ্থনৈতিক অৱস্থা বা নিয়োগৰ অৱস্থা আৰু পাৰিবাৰিক নিৰ্যাতনৰ মাজৰ সম্পৰ্ক জটিল। স্থানভেদে আৰু অন্যান্য কাৰক অনুসৰি এই সম্পৰ্ক বেলেগ বেলেগ হয়। বিভিন্ন স্থানত কৰা বিভিন্ন অধ্যয়নে ইয়াৰ ওপৰত ভিন্ন মতামত দাঙি ধৰে। অৱশ্যে ইয়াৰ দ্বাৰা দৰিদ্ৰতাক পাৰিবাৰিক নিৰ্যাতনৰ কাৰণ বুলি ক'ব নোৱাৰি। কিন্তু দৰিদ্ৰতা আৰু পাৰিবাৰিক নিৰ্যাতনৰ সংযোগে নিৰ্যাতনৰ প্ৰভাৱ আৰু বেছিকৈ বৃদ্ধি কৰিব পাৰে আৰু আৰ্থিক অনাটনৰ কাৰণে ভুক্তভোগী মহিলাগৰাকীৰ বাবে নিৰ্যাতনমুক্ত জীৱনৰ সুযোগ সীমিত কৰিব পাৰে।[7]

[7]https://www.safehousecenter.org/the-intersection-of-domestic-violence-and-poverty/


# নিৰ্যাতনৰ বিভিন্ন প্ৰকাৰ

ভুক্তভোগী মহিলাসকলে তেওঁলোকৰ ওপৰত শাৰীৰিক, মানসিক, যৌন আৰু অৰ্থনৈতিককে ধৰি বিভিন্ন ধৰণৰ নিৰ্যাতন হোৱাৰ কথা উল্লেখ কৰিছে। মন কৰিবলগীয়া কথাটো হৈছে যে, নাৰীৰ ওপৰত কৰা নিৰ্যাতন কেৱল এক ধৰণৰেই নহয়। বহু মহিলাৰ ওপৰত একেসময়তে বিভিন্ন ধৰণৰ নিৰ্যাতন কৰা হয়। জি এম কে-লৈ অহা ২৮% মহিলাই তেওঁলোকৰ ওপৰত অভিযুক্তসকলে সকলো ধৰণৰ নিৰ্যাতন চলাই থকা বুলি কোৱাৰ বিপৰীতে ১৯% মহিলাই শাৰীৰিক, মানসিক আৰু অৰ্থনৈতিক নিৰ্যাতনৰ সন্মুখীন হোৱা বুলি কয়। ইয়াৰ উপৰিও এই মহিলাসকলৰ ৪৬%-ই গৰ্ভাৱস্থাতো নিৰ্যাতনৰ সন্মুখীন হোৱা বুলি কৈছিল।





পাৰিবাৰিক নিৰ্যাতনৰ ফলত শিশুসকলো প্ৰভাৱিত হয়। প্ৰায় ২৫% মহিলাই জনাইছে যে তেওঁলোকৰ সন্তানো পাৰিবাৰিক নিৰ্যাতনৰ বলি হৈছে, আৰু ৬% মহিলাৰ পৰিয়ালৰ আন সদস্যসকলো পাৰিবাৰিক নিৰ্যাতনৰ বলি হৈছে।

# নিৰ্যাতন ভুগি থকাৰ সময়কাল




মহিলাসকলৰ ওপৰত ছমাহৰপৰা ত্ৰিশ বছৰলৈকে সুদীৰ্ঘ সময় ধৰি নিৰ্যাতন চলি আছিল। ৬৫% মহিলাই ০-৫ বছৰ ধৰি অত্যাচাৰৰ বলি হৈ থকাৰ কথা উল্লেখ কৰিছিল। ২২% মহিলাই ৬-১০ বছৰ ধৰি এনে অত্যাচাৰ সহ্য কৰিছিল। সুদীৰ্ঘকাল ধৰি চলি থকা এই অত্যাচাৰে মহিলাসকলৰ বাবে গুৰুতৰ হ্ৰস্ব আৰু দীৰ্ঘম্যাদী শাৰীৰিক, মানসিক, যৌন আৰু প্ৰজনন স্বাস্থ্যজনিত সমস্যাৰ সৃষ্টি কৰে। দুখৰ বিষয় যে ইয়াৰ ফলত দীৰ্ঘদিনীয়া হতাশা আৰু অৱসাদকে ধৰি মাৰাত্মক পৰিণতিৰ সৃষ্টি হ'ব পাৰে, যাৰ ফলত আত্মহত্যাৰ ঘটনাও ঘটিব পাৰে।

দীৰ্ঘদিনীয়া নিৰ্যাতনৰ সন্মুখীন হোৱাসকলৰ ভিতৰত ২৩% মহিলাই জীৱনৰ বিভিন্ন সময়ত আত্মহত্যা কৰাৰ কথা মনলৈ অহা বুলিও কয়।




"বিয়াৰ পিছৰপৰাই মোৰ মানুহজনে মোক নিৰ্যাতন কৰিছিল। ল'ৰা-ছোৱালীকেইটাকো বাপেকে মাৰধৰ কৰে। ঘৰত থাকিবলৈ নিদিয়ে, সন্ধিয়া সিহঁতক পঢ়িবলৈও নিদিয়ে। মদ খাই সদায় হুলস্থুল কৰি থাকে। উপায় নাপাই ল'ৰা-ছোৱালীকেইটাৰ সৈতে ওচৰৰ জা-শাহুৰ ঘৰত থাকোঁগৈ। কেতিয়াবা ৰাতি টোপনি যোৱাৰ পাছত মনে মনে ঘৰলৈ আহি শুই থাকোঁহি। মই গ্ৰামীণ মহিলা কেন্দ্ৰলৈ আহি সহায় বিচাৰিলোঁ। তেওঁলোকে মানুহজনৰ লগত কথা পাতিলে। পৰামৰ্শৰ পাছত অৱস্থা আগতকৈ ভাললৈ আহিছে।"

– ওদালগুৰি


"মোৰ মানুহজনে বিয়াৰ পিছৰেপৰা প্ৰতি নিশা মোৰ ওপৰত যৌন উৎপীড়ন চলাইছিল আৰু ধৰ্ষণ কৰিছিল। তেওঁ মোক পৰ্ণ ছবি চাবলৈ বাধ্য কৰাইছিল আৰু সেই অনুসৰি যৌন কাৰ্য্য সম্পাদন কৰিবলৈ দিছিল।
গৰ্ভাৱস্থাতো তেওঁ মোক অত্যাচাৰ কৰিছিল আৰু প্ৰয়োজনমতে খাবলৈ নিদিছিল। মোক সকলো কথাতে সন্দেহ কৰিছিল। অৱশেষত মই জি এম কেৰ ওচৰ পালোঁহি।
তেওঁলোকৰ হস্তক্ষেপে মোক সকাহ দিছে।"

– কামৰূপ



# মৌখিক আৰু মানসিক নিৰ্যাতনৰ প্ৰকাৰ


গ্ৰামীণ মহিলা কেন্দ্ৰসমূহলৈ অহা ভুক্তভোগী মহিলাৰ ৭২% ই মৌখিক আৰু মানসিক নিৰ্যাতনৰ গোচৰ দাখিল কৰিছিল। কেন্দ্ৰসমূহত সৰ্বাধিক নথিভুক্ত হোৱা এই নিৰ্যাতন মহিলাসকলে পাৰিবাৰিক সম্পৰ্কত প্ৰায়ে সন্মুখীন হৈ থকা এক সাধাৰণ নিৰ্যাতন। ৭৫% ভুক্তভোগী মহিলাই গালি-শপনি আদি মৌখিক নিৰ্যাতন, ৬৬%-ই সমজুৱাকৈ কৰা অপমান/নিন্দা, ৪৪%-ই স্বভাৱ-চৰিত্ৰ-আচৰণত দোষ খুচৰি থকা, ৬৫%-ই চলন-ফুৰণ নিয়ন্ত্ৰণ/নিষিদ্ধ কৰা, ৪০%-ই সন্দেহ, আৰু ৪০%-ই গিৰিয়েকে নিজৰ লগত নৰখা আদি মানসিক নিৰ্যাতনৰ কথা উল্লেখ কৰিছে। ভুক্তভোগী মহিলাসকলে উল্লেখ কৰা আন মানসিক নিৰ্যাতনসমূহ হ'ল – চৰিত্ৰ হানি, অপমানজনক নামেৰে মতা, যৌতুকৰ দাবী কৰি ঘৰৰপৰা ওলিয়াই দিয়া, আনৰ লগত কথা পাতিবলৈ আৰু পৰিয়ালৰ লোকক লগ কৰিবলৈ নিদিয়া, ৰাতি ঘৰৰ ভিতৰত শুবলৈ বা থাকিবলৈ নিদিয়া, মানসিক বিকাৰৰ ভুৱা অভিযোগ অনা, বিবাহ বৰ্হিভূত সম্পৰ্ক ৰখা আদি। ছোৱালী জন্ম দিয়াৰ বাবে সদায় অপমানজনক গালি-গালাজ শুনোৱাৰ কথাও ভুক্তভোগী কিছু মহিলাই জনাইছিল।



## শাৰিৰীক নিৰ্যাতনৰ প্ৰকাৰ

গ্ৰামীণ মহিলা কেন্দ্ৰত মহিলাসকলে গোচৰ দিয়া আন এটা সততে হোৱা নিৰ্যাতন হৈছে শাৰীৰিক। আমাৰ সমাজত পৰিয়ালক নিয়ন্ত্ৰণত ৰাখি ক্ষমতা সাব্যস্ত কৰিবলৈ পুৰুষে নাৰীৰ ওপৰত শাৰীৰিক অত্যাচাৰ কৰাটো প্ৰায়ে গ্ৰহণযোগ্য বুলি গণ্য কৰা হয়। অসমীয়াত এষাৰ জনপ্ৰিয় কথাই আছে - "কটাৰী ধৰাবা শিলে, তিৰিক বলাবা কিলে"। মাৰ-পিটৰ দৰে নিৰ্যাতনৰ বাবে সাধাৰণতে মহিলাসকলকেই দায়ী কৰা হয়, যেন তেওঁলোকে নিজৰ দোষৰ কাৰণেহে মাৰ খায় আৰু ই স্বাভাৱিক কথা।


গ্ৰামীণ মহিলা কেন্দ্ৰত পৰামৰ্শ বিচৰা ৭১% মহিলাৰ ওপৰত বিভিন্ন ধৰণৰ শাৰীৰিক নিৰ্যাতন চলোৱা হৈছে। নথিভুক্ত হোৱা আটাইতকৈ সাধাৰণ প্ৰকাৰসমূহৰ ভিতৰত আছে – মাৰপিট বা চৰ মৰা (৮৮%), চুলি ঘটালা (৬৩%), ডিঙি চেপা (৫২%), আৰু ধাৰ নোহোৱা বস্তুৰে আঘাত কৰা (৫০%)। ইয়াৰ উপৰিও ৪% মহিলাই কয় যে তেওঁলোকৰ জীৱন সংগী বা শহুৰৰ পৰিয়ালৰ লোকে তেওঁলোকক বিষ খাবলৈ বল প্ৰয়োগ কৰিছিল।



# অৰ্থনৈতিক নিৰ্যাতনৰ প্ৰকাৰ


গ্ৰামীণ মহিলা কেন্দ্ৰত নথিভুক্ত হোৱা তৃতীয় সৰ্বাধিক নিৰ্যাতন হৈছে অৰ্থনৈতিক নিৰ্যাতন। ৬৭% মহিলা এই নিৰ্যাতনৰ ভুক্তভোগী আছিল। সাধাৰণতে অৰ্থনৈতিক নিৰ্যাতনে পাৰিবাৰিক সম্পৰ্কৰ পৰিপ্ৰেক্ষিতত শাৰীৰিক আৰু যৌন নিৰ্যাতনৰ দৰে সিমান গুৰুত্ব নাপায়। ৬০% মহিলাই তেওঁলোকক ঘৰুৱা মৌলিক সুবিধাসমূহৰ ব্যৱহাৰৰপৰা বঞ্চিত কৰাৰ কথা উল্লেখ কৰাৰ বিপৰীতে আন ৬০% মহিলাই তেওঁলোকৰ জীৱন সংগীয়ে ঘৰুৱা খৰচ বহনৰ ব্যৱস্থা কৰা নাছিল বুলি জনাইছিল। গুৰুত্বপূৰ্ণ কথাটো হৈছে ৫২% মহিলাৰ নিজৰ আয়ৰ ওপৰত কোনো অধিকাৰ আৰু নিয়ন্ত্ৰণ নাই। ই তেওঁলোকৰ স্বাধীনতা খৰ্ব কৰে। তদুপৰি ৪১% মহিলাই কয় যে তেওঁলোকৰ জীৱন সংগীয়ে সন্তানৰ স্বাস্থ্য আৰু শিক্ষাৰ কোনো খৰচ-পাতি দিয়া নাছিল। ৩৩% মহিলাই কয় যে তেওঁলোকৰ জীৱন সংগীয়ে তেওঁলোকক খাদ্য আৰু আশ্ৰয়ৰপৰা বঞ্চিত কৰিছিল, আৰু ২২% মহিলাই চাকৰি কৰাত বাধা পোৱাৰ কথা কৈছিল।

অৰ্থনৈতিক নিৰ্যাতনে মহিলাৰ স্বাধীনতাত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে আৰু তেওঁলোকৰ জীৱন সম্পৰ্কে গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱাৰ ক্ষমতা সীমিত কৰে। মহিলাসকলক নিৰ্যাতনৰ পৰিস্থিতিত বন্দী কৰি ৰখাত ই উল্লেখযোগ্য ভূমিকা লয়। লগতে নিৰ্যাতনকাৰীৰপৰা আঁতৰি অহাত আৰু মহিলাগৰাকীৰ নিজৰ মৰ্যাদা আৰু স্বাধীনতা অক্ষুণ্ণ ৰখাত ই বাধাৰ সৃষ্টি কৰে। পৈত্ৰিক সম্পত্তিৰ ভাগ নোপোৱা, জীৱন-সংগীয়ে 'স্ত্ৰীধন' কাঢ়ি লোৱা, আৰু সীমিত নিয়োগৰ সুযোগে ভুক্তভোগী মহিলাসকলৰ বাবে এক অতি প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰ সৃষ্টি কৰে। গ্ৰামীণ মহিলা কেন্দ্ৰত পঞ্জীয়ন হোৱা অৰ্থনৈতিক নিৰ্যাতনৰ ঘটনাসমূহত অভিযুক্তসকলে প্ৰায়ে একেধৰণৰ নিৰ্যাতন কৰিছিল যিয়ে ভুক্তভোগী মহিলাসকলক দুৰ্বল আৰু নিমাত কৰি পেলাইছিল। ফলত বছৰ বছৰ ধৰি নীৰৱে অত্যাচাৰ সহ্য কৰাৰ বাহিৰে তেওঁলোকৰ হাতত আন উপায় নাছিল।



# যৌন নিৰ্যাতনৰ প্ৰকাৰ

বৈবাহিক সম্পৰ্কত যৌন নিৰ্যাতন হৈছে মহিলাৰ ওপৰত জীৱনসংগীয়ে সততে সংঘটিত কৰা জঘন্যতম নিৰ্যাতন। গ্ৰামীণ মহিলা কেন্দ্ৰই যিসকল মহিলাক মনো-সামাজিক যত্ন আৰু পৰামৰ্শ প্ৰদান কৰিছিল, তেওঁলোকৰ ভিতৰত ৩৮% ই মূলতঃ তেওঁলোকৰ জীৱনসংগীৰ হাতত যৌন নিৰ্যাতনৰ সন্মুখীন হোৱা বুলি কয়। কিছুসংখ্যক মহিলাৰ ওপৰত দেওৰেক/বৰজনাকেও যৌন নিৰ্যাতন চলাইছিল। সচৰাচৰ কৰা যৌন নিৰ্যাতনৰ ভিতৰত আছিল -- বলপূৰ্বক যৌন কাৰ্য (৭৫%), কষ্টদায়ক যৌন কাৰ্য (৫০%), আৰু বলপূৰ্বক গৰ্ভধাৰণ (১৮%)।





কেন্দ্ৰলৈ অহা গোচৰসমূহে দেখুৱাইছে যে অন্তৰংগ বা জীৱন সংগীৰ দ্বাৰা যৌন নিৰ্যাতন প্ৰায়ে মহিলাসকলৰ চৰিত্ৰৰ ওপৰত সন্দেহ কৰাৰপৰা আৰম্ভ হয়। তাৰপাছত তেওঁলোকৰ আচৰণ, চলন-ফুৰণত বাধা দিয়া হয় আৰু নিয়ন্ত্ৰণ কৰা হয় আৰু ক্ৰমে বন্ধু-বান্ধৱ আৰু পৰিয়ালৰপৰা বলপূৰ্বকভাৱে মহিলাগৰাকীক আঁতৰাই ৰখা হয়। এই নিয়ন্ত্ৰণ পৰ্যায়ক্ৰমে আবেগিক, শাৰীৰিক আৰু চৰম যৌন নিৰ্যাতনলৈ বৃদ্ধি পায়। ভুক্তভোগী মহিলাসকলে দীৰ্ঘদিন ধৰি নীৰৱে এই নিৰ্যাতন সহ্য কৰি আহিছে। পৰিয়ালৰ সন্মানৰ চিন্তা, লাজ-সংকোচ আৰু পত্নীৰ শৰীৰ নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ গিৰিয়েকৰ আছে বুলি থকা সমাজৰ বিশ্বাসৰ বাবে মহিলাসকলে ইয়াৰ বিৰোধিতা কৰিবলৈ অক্ষম হৈ পৰে। এই তথ্যই এটা কথা স্পষ্ট কৰিছে যে আমাৰ দেশত বৈবাহিক ধৰ্ষণ সততে ঘটি থকা এটা ঘটনা আৰু ইয়াৰ বিৰুদ্ধে কোনো গোচৰ দিয়া নহয়। আইনেও ইয়াক অপৰাধ হিচাপে মানি লোৱা নাই। ঘৰৰ চাৰিবেৰৰ মাজত ঘটি থকা যৌন নিৰ্যাতনক ব্যক্তিগত আৰু পাৰিবাৰিক বিষয় বুলি গণ্য কৰা হয় আৰু পৰিয়াল/বিবাহৰ দৰে প্ৰতিষ্ঠানৰ বিঘিনি ঘটাৰ ভয়ত আদালতেও ইয়াৰ ওপৰত চকু নাৰাখে। পিতৃতান্ত্ৰিক ক্ষমতাৰ বিভিন্ন বিন্যাসসমূহে বিবাহক বলপূৰ্বক যৌন সম্পৰ্ক আৰু পুৰুষে নাৰীৰ যৌনতা আৰু শাৰীৰিক অখণ্ডতাৰ ওপৰত নিয়ন্ত্ৰণ কৰাৰ অনুজ্ঞাপত্ৰ বুলি গণ্য কৰিছে।





## অন্যান্য প্ৰকাৰৰ লিংগ-ভিত্তিক নির্যাতন

## নির্যাতনকাৰী

ভুক্তভোগী মহিলাসকলৰ নির্যাতনকাৰীৰ ভিতৰত ৪৫% তেওঁলোকৰ জীৱনসংগী। ইয়াৰ দ্বাৰা এটা উল্লেখযোগ্য বিষয় উন্মোচিত হয়, কিয়নো পাৰিবাৰিক নির্যাতনৰ ভুক্তভোগী মহিলাসকলে আটাইতকৈ বেছিকৈ অন্তৰংগ সংগীৰ অত্যাচাৰৰ সন্মুখীন হয়। বিশ্ব বেংকৰ জেণ্ডাৰ ডেটা পৰ্টেল অনুসৰি ১৫ বছৰ আৰু তাতকৈ অধিক বয়সৰ প্ৰতি চাৰিগৰাকী মহিলাৰ ভিতৰত এগৰাকীতকৈ অধিক (২৬%) মহিলাই ১৫ বছৰ বয়সৰপৰা অন্ততঃ এবাৰ নিজৰ সংগীৰ হাতত হিংসাৰ সন্মুখীন হোৱাৰ কথা উল্লেখ কৰিছে। [8] কেন্দ্ৰলৈ অহা গোচৰ সমূহত জীৱন সংগীৰ উপৰিও শাহু-শহুৰ, দেওৰেক-নন্দেক, পুত্ৰ/বোৱাৰী, আৰু পিতৃয়েও মহিলা আৰু ছোৱালীৰ ওপৰত নির্যাতন কৰিছে। অবিবাহিতা ছোৱালী/মহিলাই নিজৰ ঘৰতকৈ বিবাহ হোৱা পৰিয়ালত বেছি নির্যাতন ভোগ কৰে। বৈবাহিক সম্পৰ্কত থকা ক্ষমতাৰ অসমানতাই নির্যাতন বৃদ্ধি কৰাত অৰিহণা যোগায়।




[8] https://genderdata.worldbank.org/en/data-stories/overview-of-gender-based-violence




“বাপেকটো মৰাৰ পাছত মোৰ ল’ৰাই ঘৰ-মাটি তাৰ নামত কৰি ল’লে আৰু মোক ঘৰৰপৰা ওলিয়াই চোতালৰ সৰু কোঠা এটাত থাকিবলৈ দিলে। ঘৰৰ চৰুও বেলেগ কৰি দিলে। মই বেমাৰী মানুহ, সদায় ঔষধ খাব লাগে। সি পইচা-পাতি একো নিদিয়ে, ঘৰৰপৰা ক’লৈকো যাবলৈ নিদিয়ে। বহুত অভাৱ। খাবলৈও একো নাই। বেমাৰত বিচনাত পৰি আছিলোঁ।  গ্ৰামীণ মহিলা কেন্দ্ৰ আহি হস্তক্ষেপ কৰাৰ পাছত অৱস্থাটো এতিয়া ভাল হৈছে। ল’ৰা-বোৱাৰীয়ে মোৰ দায়িত্ব লৈছে।”

– গোলাঘাট


“মই মোৰ গৃহস্থ আৰু শহুৰৰ পৰিয়ালৰ মানুহৰ হাতত শাৰিৰীক, মানসিক আৰু আৰ্থিক নিৰ্যাতনৰ ভুক্তভোগী। তেওঁলোকে যৌতুকৰ দাবীও কৰিছিল। ৰাতি ৰাতি ভাত খাবলৈ নিদিছিল। বহুবাৰ আত্মহত্যা কৰাৰ কথা মনলৈ আহিছিল। গাঁৱৰ ৰাইজে সভা পাতি ‘অত্যাচাৰ নকৰোঁ’ বুলি মানুহটোৰপৰা লিখিত চুক্তিপত্ৰত চহী লোৱাৰ পাছতো নিৰ্যাতন একেদৰেই চলাই গৈছিল। যোৱা ছয়বছৰে নিৰ্যাতন সহ্য কৰাৰ পাছত শেষত মই গ্ৰামীণ মহিলা কেন্দ্ৰলৈ আহোঁ। তেওঁলোকে আদালতত গোচৰ তৰাত সহায় কৰি দিছে। এতিয়া মই নেনৰ চানেকি উইভচৰ সৈতে জড়িত হৈ কাপোৰ বৈ নিজৰ লগতে ছোৱালীজনীৰ কাৰণে দুপইচা আৰ্জিব পাৰিছোঁ।”

– দৰং




# পাৰিবাৰিক নিৰ্যাতনৰ ভুক্তভোগী সকলক জড়িত কৰা জীৱিকাৰ উপায়সমূহ

অৰ্থনৈতিক স্বাধীনতাই মহিলাসকলৰ আত্মবিশ্বাস বঢ়াই তোলে আৰু ন্যায় বিচৰাৰ সুযোগ বৃদ্ধি কৰিব পাৰে। ই পাৰিবাৰিক নিৰ্যাতনৰ আশংকা কম বা নিৰ্মূল কৰাত সহায় কৰিব পাৰে। কিন্তু নিজৰ আয়ৰ ওপৰত মহিলাসকলৰ অধিকাৰ আৰু নিয়ন্ত্ৰণ নাথাকিলে তেওঁলোকে নিজৰ জীৱনৰ কোনো সিদ্ধান্ত স্বাধীনভাৱে ল'ব নোৱাৰে। নেনে নিৰ্যাতনৰ উত্তৰজীৱী মহিলাসকলক জীৱিকা অৰ্জনৰ পদক্ষেপৰ সৈতে সংযোগ কৰাৰ উদ্দেশ্য হৈছে, মহিলাসকলক আৰ্থিক স্বাৱলম্বিতা লাভ কৰাত সহায় কৰা, যাৰ ফলত তেওঁলোকৰ আত্মবিশ্বাস, আত্মসত্ত্বা আৰু স্বাধীনতা বৃদ্ধি হয়। এই সক্ষমকৰণ প্ৰক্ৰিয়াই তেওঁলোকৰ অৰ্থনৈতিক স্বাধীনতাৰ ভেটি স্থাপন কৰে। ই




তেওঁলোকৰ নিৰাপত্তাৰ বাবে অতি প্ৰয়োজনীয়। এতিয়ালৈকে মুঠ ১০৭ গৰাকী উত্তৰজীৱীক বয়ন, খেতি, পশুপালন, চিলাই আদি জীৱিকাৰ সৈতে সংযোগ কৰি দিয়া হৈছে।

# গ্ৰামীণ মহিলা কেন্দ্ৰৰপৰা অন্য সংস্থালৈ প্ৰেৰণ কৰা গোচৰ




প্ৰতিটো গোচৰৰ প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ কৰি গ্ৰামীণ মহিলা কেন্দ্ৰৰ বেয়াৰফুট কাউন্সেলাৰসকলে গোচৰসমূহৰ ওপৰত ব্যৱস্থা গ্ৰহণৰ বাবে বিভিন্ন অংশীদাৰক জড়িত কৰিছিল। মুঠ ১২৫টা গোচৰ বিভিন্ন সংস্থালৈ প্ৰেৰণ কৰা হৈছিল।

কিছুমান পৰিস্থিতিত নিৰ্যাতিতা মহিলাৰ ইচ্ছা অনুসৰি গোচৰসমূহ ৰাইজৰ হস্তক্ষেপৰ কাৰণে পঠোৱা হৈছিল। ১১% পাৰিবাৰিক নিৰ্যাতনৰ গোচৰ ৰাইজৰ প্ৰতিনিধিক জড়িত কৰি সমাধান কৰা হৈছিল।

এই প্ৰক্ৰিয়াত ভুক্তভোগী মহিলাৰ সকলো অধিকাৰ আৰু স্বাধীনতা যাতে অক্ষুণ্ণ থাকে সেইটো আমাৰ কাউন্সেলাৰসকলে সুনিশ্চিত কৰিছিল।

# সামৰণি

পাৰিবাৰিক নিৰ্যাতনে মহিলাৰ শাৰীৰিক, মানসিক আৰু প্ৰজনন স্বাস্থ্যৰ ওপৰত ভয়াবহ প্ৰভাৱ পেলায়। শিশুকে ধৰি পৰিয়ালতো ইয়াৰ যথেষ্ট প্ৰভাৱ পৰে। “ব্যক্তিগত বা ঘৰুৱা বিষয়”ৰ নামত নিৰ্যাতন চলি থকা পৰিয়ালত মহিলাৰ ওপৰত ভাবুকি, অত্যাচাৰ আৰু অধিকাৰ উলংঘাৰ দৈনন্দিন ভয়াবহতাক স্বাভাৱিক আৰু বৈধতা প্ৰদান কৰিলে নিৰ্যাতনৰ এটা ধাৰাবাহিক চক্ৰৰ সৃষ্টি হ’ব পাৰে। বিভিন্ন গৱেষণাৰপৰা দেখা গৈছে যে পিতৃয়ে মাকক নিৰ্যাতন চলোৱাৰ সাক্ষী হোৱা ল’ৰাবোৰে পিছৰ জীৱনত নিজৰ জীৱনসংগীক নিৰ্যাতন কৰাৰ সম্ভাৱনা থাকে। আনহাতে মাতৃৰ দুখ-কষ্ট পৰ্যবেক্ষণ কৰা ছোৱালীয়ে প্ৰাপ্তবয়স্ক অৱস্থাত অন্তৰংগ সংগীৰ নিৰ্যাতনৰ সন্মুখীন হোৱা আৰু সেয়া নীৰৱে সহ্য কৰাৰ সম্ভাৱনা দুগুণ বেছি।[9] মহিলাৰ ওপৰত হোৱা নিৰ্যাতনৰ মূল কাৰণসমূহ আঁতৰ কৰিবলৈ আৰু এখন নিৰাপদ আৰু সমতাৰ সমাজ প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে এই বিষয়সমূহৰ জটিলতাসমূহ বুজাটো অতি গুৰুত্বপূৰ্ণ।

গ্ৰামীণ মহিলা কেন্দ্ৰসমূহৰ ব্যাপক আৰু বহুমুখী কৌশলে ভুক্তভোগী মহিলাসকলক পাৰিবাৰিক নিৰ্যাতনৰ বিৰুদ্ধে গোচৰ দিবলৈ আৰু প্ৰতিকাৰ বিচাৰিবলৈ সক্ষম কৰিছে। আমাৰ বেয়াৰফুট কাউন্সেলাৰসকলে আইনী বা অন্য সহায়ক সেৱাৰ সীমিত সুবিধা পোৱা মহিলা আৰু ছোৱালীসকলক অত্যাৱশ্যকীয় সহায় আগবঢ়াই আহিছে। আমাৰ সমাজত বিকল্প বিবাদ নিষ্পত্তিৰ কৌশল সঘনাই ব্যৱহাৰ কৰা হয়। ইয়াৰ দ্বাৰা পাৰিবাৰিক নিৰ্যাতনৰ কিছু ঘটনা কম সময়ৰ বাবে সমাধান হ'ব পাৰে যদিও এনে বহু উদাহৰণ আছে য'ত মহিলাসকল অধিক নিৰ্যাতনৰ বলিহে হয়। নিৰ্যাতনৰ এই চক্ৰটো বন্ধ কৰাৰ বাবে অধিক শক্তিশালী উপায় হাতত লোৱা প্ৰয়োজন। ৰাইজৰ সহায়-সহযোগিতাৰে অধিকাৰ-ভিত্তিক দৃষ্টিৰে গ্ৰামীণ মহিলা কেন্দ্ৰসমূহে আগবঢ়োৱা নাৰীবাদী পৰামৰ্শ সেৱাই সমাজৰ আন লোকসকলৰ সৈতে লিংগ-ভিত্তিক নিৰ্যাতন নিৰ্মূল কৰাৰ ক্ষেত্ৰত সুস্থ আলোচনাৰ পোষকতা কৰাত গুৰুত্বপূৰ্ণ ভূমিকা লয়। মহিলা আৰু ছোৱালীয়ে সন্মুখীন হোৱা লিংগ-ভিত্তিক নিৰ্যাতনৰ ব্যাপক সমস্যাটোৰ মোকাবিলা কৰি শেষত ইয়াক পুলিয়ে-পোখাই উভালি পেলোৱাৰ বাবে এই প্ৰচেষ্টাসমূহ অতি প্ৰয়োজনীয়।

[9] ibid

# আপুনি মহিলা হিচাপে নিৰ্যাতন আৰু বৈষম্যৰ সন্মুখীন হৈছে নেকি?

## ঘৰত?

## ৰাজহুৱা স্থানত ?

## কৰ্মক্ষেত্ৰত ?



## নৰ্থ ইষ্ট নেটৱৰ্কৰ গ্ৰামীণ মহিলা কেন্দ্ৰলৈ আহক

এই কেন্দ্ৰসমূহত আপুনি কোনো ভয় অথবা সংকোচ নোহোৱাকৈ মুকলিকৈ কথা পাতিব পাৰিব।

কেন্দ্ৰই আগবঢ়োৱা সেৱাসমূহ :

- আপুনি প্ৰশিক্ষিত মহিলা পৰামৰ্শদাতাৰ দ্বাৰা নাৰীবাদী মনো-সামাজিক যত্ন আৰু পৰামৰ্শ সেৱা লাভ কৰিব।
- আপোনাৰ পৰিয়ালকো নাৰীবাদী মনো-সামাজিক যত্ন আৰু পৰামৰ্শ সেৱা প্ৰদান কৰা হ'ব।
- নাৰীবাদী পৰামৰ্শদাতাৰ দ্বাৰা আপোনাৰ সমস্যাসমূহ নিৰীক্ষণ কৰি থকা হ'ব।
- প্ৰয়োজন হ'লে আপোনাক পুলিচ/উকীল/আশ্ৰয়গৃহ/অন্যান্য সেৱাৰ সৈতে যোগাযোগ কৰাই দিয়া হ'ব।
- আপুনি মহিলাৰ বাবে থকা চৰকাৰৰ বিভিন্ন আঁচনি আৰু আইনৰ বিষয়ে তথ্য লাভ কৰিব।
- আপোনাক বোৱা-কটা, কৃষি আৰু তাৰ লগত জড়িত ক্ষেত্ৰত জীৱিকাৰ সুবিধা প্ৰদান কৰা হ'ব।
- আপুনি মহিলাৰ অধিকাৰৰ বিষয়ে প্ৰশিক্ষণ আৰু অভিযানত অংশগ্ৰহণ কৰিব পাৰিব।

## পৰামৰ্শ দানৰ সময়

**সোমবাৰ, বুধবাৰ, শুক্ৰবাৰ**
**পুৱা ১০ বজাৰপৰা আবেলি ৩ বজালৈ**



তলত উল্লেখ কৰা যিকোনো এটা কেন্দ্ৰলৈ নিঃসংকোচে আহক

- গোলাঘাট
  দৈগ্ৰোং, পিন- ৭৮৫৭০২
  ফোন নং. ৮৬৩৮৭৪৭১১০
- কামৰূপ
  সৰপাৰা, পিন – ৭৮১১২২
  ফোন নং. ৯৩৬৫৬৪৮৮৩২
- দৰং, বৰদৌলগুৰি
  কবেইচুবা, ছিপাঝাৰ, পিন- ৭৮৪১৪৫
  ফোন নং. ৯৫৭৭৫৭৬৬৭৭
- ওদালগুৰি, নিজডলা
  মেচকা পুখুৰী, পিন- ৭৮৪৫২৯
  ফোন নং. ৯৩৯৪৭৪১৭৩০/৯৩৬৫৪৬০২৫৩
- ধেমাজি, হাতীগড়
  পিন-৭৮৭০৫৭
  ফোন- ৭০০২৩২৩৭৭৫/৯৯৫৭৮৩৫৬৬৪
- শোণিতপুৰ
  দলংবস্তি, ফৰেষ্টগেট, পিন-৭৮৪১০৩
  ফোন – ৯১০১৬৭৫৯৮৬/৭৮৯৬৪৮৫৩৩৪

এই কেন্দ্ৰসমূহ ৰাইজৰ নেতৃত্বত গঢ়ি উঠা একোখন সুৰক্ষিত নাৰীবাদী স্থান। কেন্দ্ৰসমূহ অসম চৰকাৰৰ মহিলা আৰু শিশু বিভাগৰ দ্বাৰা **পাৰিবাৰিক নিৰ্যাতনৰপৰা মহিলাৰ সুৰক্ষা আইন, ২০০৫**ৰ অধীনত সেৱা প্ৰদানকাৰী হিচাপে স্বীকৃতিপ্ৰাপ্ত।

**নিৰ্যাতন আইনবিৰোধী : ইয়াৰ বিৰুদ্ধে মাত মাতক**
**আপুনি অকলশৰীয়া নহয় : কেন্দ্ৰসমূহ আপোনাৰ লগত আছে**

অধিক তথ্যৰ বাবে চাওক www.northeastnetwork.org



৭ বি, জে এন বৰুৱা পথ, যোৰপুখুৰী
গুৱাহাটী - ৭৮১০০১, অসম

+৯১ ৯৪৩৫০ ১৭৮২৪ । www.northeastnetwork.org